**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-10-2024 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল এৰেষ্টৰ নামত চলা প্ৰৱঞ্চনাক লৈ মন কী বাতৰ ১১৫ সংখ্যক খণ্ডত উদ্বেগ প্ৰকাশ কৰিছে।

২। আত্মনিৰ্ভৰ ভাৰত অভিযানৰ সাফল্যক লৈ সন্তুষ্টি প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে এই অভিযান দেশৰ সমূহীয়া চেতনাৰ অংগ হৈ পৰা বুলি উল্লেখ কৰিছে।

৩। চলিত বৰ্ষৰ প্ৰথম ছমাহত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনত গ্ৰামাঞ্চলৰ নিয়োগ ১৬ শতাংশ হ্ৰাস হোৱা বুলি কিছুসংখ্যক সংবাদমাধ্যমত প্ৰকাশ পোৱা প্ৰতিবেদন চৰকাৰে আজি নস্যাৎ কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক ঝাৰখণ্ডৰ শিল্পকলা উপহাৰ দিয়ে। **আৰু**

৫। আহমেদাবাদত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ২৬০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল এৰেষ্টৰ নামত চলা প্ৰৱঞ্চনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ ১১৫ সংখ্যক খণ্ডৰ যোগেদি ৰাষ্ট্ৰক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ডিজিটেল এৰেষ্টৰ নামত চলা এনে ধৰণৰ প্ৰৱঞ্চনা ৰোধ কৰাৰ বাবে সকলো তদন্তকাৰী সংস্থাই একেলগে কাম কৰি আছে। আইনৰ অধীনত কোনো লোকক ডিজিটেল এৰেষ্ট কৰাৰ কোনো ব্যৱস্থা নাই বুলি তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানত শ্ৰোতাসকলক এনে ঘটনাৰ ভুক্তভোগী আৰু এগৰাকী প্ৰৱঞ্চকৰ মাজত হোৱা কথোপকথন বজাই শুনায়। কথোপকথনত প্ৰৱঞ্চনাকাৰীয়ে নিজকে আৰক্ষী চিবিআই অথবা মাদক দ্ৰব্য নিবাৰণ শাখাৰ বিষয়া বুলি দাবী কৰিছিল। প্ৰৱঞ্চনাকাৰীয়ে ভুক্তভোগী লোকৰ ব্যক্তিগত তথ্য আহৰণ কৰি ভয়ৰ বাতাবৰণ সৃষ্টি কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, সকলো শ্ৰেণী আৰু বয়সৰ লোক ডিজিটেল এৰেষ্টৰ বলি হৈছে আৰু ভয়ৰ বাবেই তেওঁলোকে লাখ লাখ টকাৰ লোকচান ভৰিবলগীয়া হৈছে। প্ৰধানমন্ত্ৰীয়ে এনেধৰণৰ প্ৰৱঞ্চনামূলক ফোন লাভ কৰিলে ভীতিগ্ৰস্ত নহ'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। তদন্তকাৰী সংস্থাসমূহে ফোন অথবা ভিডিঅ' কলৰ মাধ্যমেৰে কেতিয়াও জেৰা নকৰে বুলি প্ৰধানমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে। শ্ৰীমোদীয়ে ডিজিটেল সুৰক্ষাৰ বাবে ৩টা উপায়ৰ বিষয়ে উল্লেখ কৰে। এই উপায়কেইটা হৈছে **বন্ধ কৰক, চিন্তা কৰক আৰু ব্যৱস্থা গ্ৰহণ কৰক।** তেওঁ লগতে এনে পৰিস্থিতিৰ সন্মুখীন হ'লে শান্ত হৈ থাকিবলৈ আৰু কাৰো সৈতে ব্যক্তিগত তথ্য বিনিময় নকৰিবলৈ জনসাধাৰণৰ প্ৰতি পৰামৰ্শ আগবঢ়ায়। সম্ভৱ হ'লে এনে মুহূৰ্তৰ স্ক্ৰীন শ্বট লোৱা আৰু কথোপকথন বাণীবদ্ধ কৰা উচিত বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ লগতে এনে ঘটনা সংঘটিত

হ'লে ভুক্তভোগীক পৰামৰ্শৰ বাবে ৰাষ্ট্ৰীয় চাইবাৰ হেল্পলাইন নম্বৰ **১৯৩০** ফোন কৰিবলৈ আৰু cybercrime.gov.inত ঘটনাৰ সবিশেষ জনাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। শ্ৰীমোদীয়ে কয় যে, এনে ঘটনাৰ বিষয়ে পৰিয়ালৰ সদস্য তথা আৰক্ষীক অৱগত কৰাৰ লগতে সাক্ষ্য প্ৰমাণ সংৰক্ষণ কৰা উচিত। এই ৩টা পদক্ষেপে সকলোৰে ডিজিটেল সুৰক্ষা সুনিশ্চিত কৰিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চৰকাৰী সংস্থাসমূহৰ মাজত সমন্বয়ৰ বাবে ৰাষ্ট্ৰীয় চাইবাৰ সমন্বয় কেন্দ্ৰ স্থাপন কৰা হৈছে। এনেধৰণৰ প্ৰৱঞ্চনামূলক ভিডিঅ' কলৰ সৈতে জড়িত হাজাৰ হাজাৰ আই ডি সংস্থামসূহে বন্ধ কৰিছে। লাখ লাখ চীম কাৰ্ড, মোবাইল ফোন আৰু বেংক একাউণ্টো বন্ধ কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। শ্ৰীমোদীয়ে চাইবাৰ প্ৰৱঞ্চনাৰ বলি হোৱা লোকসকলক তেনে ঘটনাৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। চাইবাৰ প্ৰৱঞ্চনা বিৰোধী অভিযানৰ সৈতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকো জড়িত কৰা উচিত বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে।

কাইলৈ বিশ্ব এনিমেচন দিৱস উদযাপনৰ বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰত এনিমেচন ক্ষেত্ৰত নতুন বিপ্লৱৰ সূচনা কৰাৰ পথত অগ্ৰসৰ হৈছে। ভাৰতত গেমিং ক্ষেত্ৰৰ নিৰন্তৰ বিকাশ হৈছে আৰু ভাৰতীয় গেমসমূহ সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ উঠিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

আত্মনিৰ্ভৰ ভাৰত অভিযানৰ সাফল্যক লৈ সন্তুষ্টি প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, এই অভিযান দেশৰ সমূহীয়া চেতনাৰ অংগ হৈ পৰিছে। তেওঁ কয়  যে, আত্মনিৰ্ভৰ হৈ উঠাৰ পাছত ভাৰতে প্ৰতিটো ক্ষেত্ৰতে ভাল প্ৰদৰ্শন আগবঢ়াইছে। এসময়ত বিশ্বত প্ৰতিৰক্ষা আহিলা পাতিৰ সৰ্ববৃহৎ ক্ৰেতাৰূপে পৰিচিত ভাৰত সম্প্ৰতি ৮৫ খন দেশলৈ এনেধৰণৰ আহিলা পাতি ৰপ্তানি কৰা দেশ হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চন্দ্ৰপৃষ্ঠৰ দক্ষিণ মেৰুত অৱতৰণ কৰা ভাৰত বিশ্বৰ প্ৰথমখন দেশ। তেওঁ লগতে লাডাখৰ হানলেত এইমাহত এছিয়াৰ সৰ্ববৃহৎ ইমাজিং টেলিস্কোপ এম এ চি ই মুকলি কৰা হৈছে। ভাৰততে নিৰ্মিত এই টেলিস্কোপটো ৪ হাজৰ ৩শ মিটাৰ উচ্চতাত অৱস্থিত বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। শ্ৰীমোদীয়ে শ্ৰোতাসকলক সামাজিক মাধ্যমযোগে উদ্ভাৱন আৰু আত্মনিৰ্ভৰ ভাৰতৰ নিদৰ্শনৰ বিষয়ে অৱগত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণক উৎসৱৰ এই বতৰত **ভোকেল ফৰ লোকেল** মন্ত্ৰৰে সামগ্ৰী ক্ৰয় কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে আজিৰ **মন কী বাত** অনুষ্ঠানত সাহস আৰু দূৰদৃষ্টি প্ৰতিমূৰ্তিস্বৰূপ চৰ্দাৰ বল্লভ ভাই পেটেল আৰু ভগৱান বীৰচা মুণ্ডাৰ বিষয়ে আলোচনা কৰে। দেশে এইবেলি এই মহান নাগৰিক দুগৰাকীৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন কৰিব। চৰ্দাৰ পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী ৩১ অক্টোবৰত আৰু ভগৱান বীৰচা মুণ্ডাৰ ডেৰশ বছৰীয়া জয়ন্তী ১৫ নৱেম্বৰত আৰম্ভ হ'ব। এই মহান ব্যক্তি দুগৰাকীয়ে ভিন ভিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল যদিও দেশত একতাই তেওঁলোকৰ সপোন আছিল বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লৌহপুৰুষ চৰ্দাৰ পেটেল সম্পৰ্কে নিজৰ মতামত হেচটেগ চৰ্দাৰ 150 যোগে আৰু ধৰ্তি আৱা বীৰচা মুণ্ডাৰ বিষয়ে হেচটেগ বীৰচা মুণ্ডা 150 যোগে প্ৰকাশ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। ফীট ইণ্ডিয়া অভিযানৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে দেশৰ জনসাধাৰণ শাৰীৰিক সুস্থতাৰ প্ৰতি অধিক সজাগ হোৱাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে ফীট ইণ্ডিয়াৰ ভাৱনা এতিয়া এট গণ আন্দোলনত পৰিণত হৈছে।

প্ৰধানমন্ত্ৰীয়ে আজিৰ অনুষ্ঠানৰ যোগেদি শ্ৰোতাসকলক ধনতেৰছ, পোহৰৰ উৎসৱ দিপাৱলী, ষট পূজা আৰু গুৰু নানক জয়ন্তীৰ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০

চলিত বৰ্ষৰ প্ৰথম ছমাহত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনত গ্ৰামাঞ্চলৰ নিয়োগ ১৬ শতাংশ হ্ৰাস হোৱা বুলি কিছুসংখ্যক সংবাদমাধ্যমত প্ৰকাশ পোৱা প্ৰতিবেদন চৰকাৰে আজি নস্যাৎ কৰিছে। এই আঁচনি চাহিদা ভিত্তিত পৰিচালিত বুলি উল্লেখ কৰি গ্ৰামোন্নয়ন মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে যে, চলিত বিত্তীয় বৰ্ষ এতিয়াও অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত কৰ্মদিনৰ সংখ্যাৰ সঠিক লক্ষ্য নিৰ্ধাৰণ এতিয়াই কৰা সম্ভৱ নহয়। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে যে ২০১৪-১৫ বৰ্ষৰ পৰা ২৪-২৫ বৰ্ষৰ ভিতৰৰ সময়ছোৱাত মুঠ কৰ্মদিনৰ সংখ্যা ২ হাজাৰ ৯২৩ কোটি হোৱাৰ বিপৰীতে ২০০৬-০৭ চনৰ পৰা ২০১৩-১৪ চনৰ মাজৰ সময়ছোৱাত এই কৰ্মদিনৰ সংখ্যা আছিল মাত্ৰ এহেজাৰ ৬৬০ কোটি। এই আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চল সমূহত একোটা বিত্তীয় বৰ্ষত প্ৰতিটো পৰিয়ালৰ শাৰীৰিক শ্ৰম কৰাৰ প্ৰতি আগ্ৰহী প্ৰাপ্তবয়স্ক সদস্যক কমেও এশটা কৰ্মদিন প্ৰদান কৰি জনসাধাৰণৰ জীৱিকাৰ সুৰক্ষা বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক ঝাৰখণ্ডৰ শিল্পকলা উপহাৰ দিয়ে। ঝাৰখণ্ডৰ হাজাৰীবাগ জিলাৰ ছোহৰাই চিত্ৰকলা হৈছে অঞ্চলটোৰ থলুৱা পৰম্পৰাৰ সুন্দৰ প্ৰতিফলন। এই চিত্ৰকলাসমূহক **এক জিলা এক সামগ্ৰী** শীৰ্ষক ভাৱাদৰ্শৰ অধীনত স্বীকৃতি প্ৰদান কৰা হৈছে। এই চিত্ৰকলাসমূহ সৰল আহিলা তথা প্ৰাকৃতিক ৰঙৰ ব্যৱহাৰৰ বাবে প্ৰসিদ্ধ। চিত্ৰকৰসকলে গছৰ ডাল, ধানৰ খেৰৰ তুলিকা তথা আঙুলিৰ ব্যৱহাৰেৰে এই চিত্ৰকলাসমূহত শৈলী প্ৰস্তুত কৰে। জীৱ-জন্তু, চৰাই-চিৰিকটি আৰু প্ৰকৃতিৰ চিত্ৰায়নে জনজাতীয় সংস্কৃতিত বন্য জীৱ-জন্তুৰ গুৰুত্বপূৰ্ণ স্থান তথা কৃষক সমাজৰ জীৱনশৈলীৰ প্ৰতিফলন ঘটায়। ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সময়ছোৱাত শ্ৰী মোদীয়ে ইৰাণ আৰু উজবেকিস্তানৰ নেতাসকলক মহাৰাষ্ট্ৰৰ সুন্দৰ শিল্পকলা উপহাৰ দিয়ে। তেওঁ ইৰাণৰ ৰাষ্ট্ৰপতিক উপকূলীয় শিল্পকলাৰ উৎকৃষ্ট উদাহৰণ মুকুতা তথা সাগৰীয় শামুকেৰে নিৰ্মিত এটি সুন্দৰ উপহাৰ প্ৰদান কৰে। মহাৰাষ্ট্ৰত বিশেষকৈ উপকূলীয় অঞ্চলসমূহত শিল্পীসকল সাগৰীয় শামুকেৰে সুন্দৰ সামগ্ৰী নিৰ্মাণ কৰাত সিদ্ধহস্ত। শ্ৰী মোদীয়ে উজবেকিস্তানৰ ৰাষ্ট্ৰপতিক ৱৰ্লিৰ এখন চিত্ৰকলা উপহাৰ দিয়ে। ৰাজ্যখনৰ ডাহানু, টালাচাৰি আৰু পালঘৰ অঞ্চলৰ ৱৰ্লি জনজাতিৰ লোকসকলৰ কলা হিচাপে প্ৰখ্যাত শৈলীৰে এই চিত্ৰকলা প্ৰস্তুত কৰা হৈছে। এই চিত্ৰকলা ইয়াৰ সৰলতা আৰু প্ৰকৃতি তথা দৈনন্দিন জীৱনৰ সৈতে গভীৰ সংযোগৰ প্ৰতিফলন হিচাপে প্ৰখ্যাত। ৩ হাজাৰ খ্ৰীষ্টপূৰ্বৰ আশে-পাশে সৃষ্টি হোৱা বুলি ধাৰণা কৰা এই চিত্ৰকলা দেশৰ অন্যতম পুৰাতন হিচাপে জনাজাত। পৰম্পৰাগতভাৱে ৱৰ্লিৰ মহিলাসকলে শস্য চপোৱাৰ সময় তথা বিবাহৰ দৰে বিশেষ উপলক্ষ্যত তেওঁলোকৰ বাসগৃহত মাটিৰে নিৰ্মিত বেৰত চিত্ৰ অংকন কৰিছিল। এই চিত্ৰকলাৰ জৰিয়তে তেওঁলোকৰ জীৱনশৈলী, নীতি-নিয়ম তথা ধৰ্মীয় নীতি-নিয়মসমূহ প্ৰতিফলিত হৈছিল।

০০০০০০০

জাপান পেৰা বেডমিণ্টন ইণ্টাৰনেচনেল ২০২৪ত ভাৰতৰ তাৰকা শ্বাটলাৰ সুকান্ত কদমে পুৰুষৰ একক শাখাত স্বৰ্ণপদক আৰু পুৰুষৰ দ্বৈত শাখাত তেওঁৰ সংগী দীনেশ ৰাজাইৰ সৈতে ৰূপৰ পদক লাভ কৰে। একক

শাখাৰ ফাইনেলত সতীৰ্থ ভাৰতীয় শ্বাটলাৰ তৰুণৰ মুখামুখি হৈ সুকান্তই ২১-১২, ২১-১০ ব্যৱধানত নিজৰ আধিপত্য বিস্তাৰ কৰে। দ্বৈত শাখাত সুকান্ত আৰু দীনেশে ভাৰতৰ উমেশ বিক্ৰম কুমাৰ আৰু সুৰ্যাকান্ত যাদৱৰ বিৰুদ্ধে খেলি ২১-৫, ২০-২২ আৰু ২১-১৬ ব্যৱধানত ৰূপৰ পদক অৰ্জন কৰে।

০০০০০০০

আহমেদাবাদত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ২৬০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। নিউজিলেণ্ডে প্ৰথমে বেটিং কৰি ৯টা উইকেটৰ বিনিময়ত ২৫৯ ৰান সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ছ’ফিয়া ডিভাইনে ৮৬ বলত সৰ্বাধিক ৭৯ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ভাৰতে বাতৰি যুগুতোৱাৰ পৰলৈকে ২৫ অভাৰত ৬টা উইকেট হেৰুৱাই ১০০ ৰান সংগ্ৰহ কৰি খেলি আছে।

০০০০০০০

সমাপ্ত